**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2026
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। ২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পুনৰ পৰীক্ষা- নীট ইউ জি আজি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত সফলতাৰে সম্পন্ন হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ ৰাণী দুৰ্গাৱতী বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

৩। তামিলনাডুৰ পেৰিয়া পালায়ামত আজি সংঘটিত এমনিয়া গেছ্‌ নিৰ্গমনৰ ঘটনাত ৭ গৰাকী লোক নিহত হোৱাৰ লগতে ৭০গৰাকীতকৈও অধিক ব্যক্তি আক্ৰান্ত হৈছে।

৪। টি-২০ মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এইচৰ এখন খেলত আজি নিশা চাৰে ৯ বজাত স্পেইন, চৌদি আৰবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পুনৰ পৰীক্ষা- নীট ইউ জি আজি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত সফলতাৰে সম্পন্ন হয়। দেশৰ ৫৫১খন মহানগৰ তথা বিদেশৰ ১৪খন মহানগৰত অনুষ্ঠিত এই পৰীক্ষাত ২২ লখ ৭৯ হাজাৰতকৈও অধিক প্ৰাৰ্থী অৱতীৰ্ণ হয়। উল্লেখযোগ্য যে দিনৰ ২ বজাত আৰম্ভ হৈ সন্ধিয়া ৫ বাজি ১৫ মিনিটত অন্ত পৰা এই পৰীক্ষা আৰু আন ১২টা ভাষাত অনুষ্ঠিত হয়। পৰীক্ষাৰ পূৰ্বে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এয়ে কালি দেশজুৰি অনুশীলনমূলকভাৱে এই পৰীক্ষা অনুষ্ঠিত কৰে। এই পদক্ষেপৰ জৰিয়তে নেটৱৰ্ক জেমাৰ, চিচিটিভি আৰু বায়'মেট্ৰিক্স ব্যৱস্থাৰ কাৰ্যকাৰিতা পৰীক্ষা কৰা হয়। এই পৰীক্ষা সুকলমে, সুৰক্ষিত তথা নিকাভাৱে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে পৰ্যবেক্ষক, সমন্বয়ক, আৰক্ষী বিষয়া, প্ৰশাসনীয় কৰ্মচাৰীকে ধৰি ২ লাখতকৈও অধিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হয়। চিচি টিভিৰ জৰিয়তে পৰ্যবেক্ষণ আধাৰভিত্তিক বায়োমেট্ৰিক সত্যাপন, পৰীক্ষা সম্পৰ্কীয় বয়বস্তু সৰবৰাহৰ বাবে আৰক্ষীৰ বিশেষ সুৰক্ষাসহ জি পি এছ্‌ সংলগ্ন বাহনকে ধৰি কেইবা তৰপীয়া সুৰক্ষা আন্তঃগাঁথনিৰ মাজেৰে অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰি এন টি এয়ে কোনো ভুল তথ্য প্ৰকাশৰ লগতে অবাঞ্চিত বাতৰি প্ৰকাশ কৰাৰ পৰা বিৰত ৰাখিবলৈ সামাজিক মাধ্যমৰ গতিবিধিৰ ওপৰত বিশেষ দৃষ্টি ৰাখে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ জবলপুৰত অৱস্থিত ৰাণী দুৰ্গাৱতী বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত তেওঁ বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগৰ কৃতি

শিক্ষাৰ্থীসকলক সোণৰ পদক প্ৰদান কৰে। সমাৱৰ্তনত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে যিগৰাকী ৰাণী দুৰ্গাৱতীৰ নামেৰে এই বিশ্ববিদ্যালয়খন স্থাপন কৰা হৈছে, তেওঁ আছিল সাহস, বীৰত্ব আৰু পৰাক্ৰমৰ প্ৰতীক। তেওঁ লগতে কয় যে ৰাণী দুৰ্গাৱতীৰ কাহিনীয়ে ভাৰতীয় নাৰীসকলক সদায় অনুপ্ৰাণিত কৰি আহিছে আৰু অনাগত প্ৰজন্মৰ বাবে তেওঁ অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। বিশ্ববিদ্যালয়খনৰ আশে-পাশে থকা অঞ্চলসমূহত বৃহৎ সংখ্যক জনজাতীয় লোকে বসবাস কৰে বুলি উল্লেখ কৰি তেওঁ বিশ্ববিদ্যালয়খনৰ সৈতে জড়িত ব্যক্তিসকলক জনজাতীয় সমাজ, পিছপৰা শ্ৰেণী আৰু বিশেষকৈ যুৱতীসকলৰ সবলীকৰণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। ভাষণ প্ৰসঙ্গত তেওঁ কয় যে জনজাতীয় লোকসকল অতি স্বাভিমানী আৰু বহু সময়ত তেওঁলোকৰ নিজৰ সমস্যাসমূহৰ বিষয়ে মুকলিকৈ প্ৰকাশ নকৰে। এনে পৰিপ্ৰেক্ষিতত শিক্ষিত যুৱ প্ৰজন্মই নিজৰ গাঁও আৰু সমাজৰ ব্যক্তিসকলক চৰকাৰী আঁচনি তথা আন সা-সুবিধাসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰাত সহায় কৰা উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত এখন উন্নত ভাৰত গঢ়ি তোলাৰ লক্ষ্য তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া উন্নয়নৰ সুফল সমাজৰ প্ৰতিটো শ্ৰেণী আৰু প্ৰতিগৰাকী ব্যক্তিৰ ওচৰলৈ যাব। তেওঁ লগতে কয় যে শিক্ষা হৈছে ব্যক্তি আৰু সমাজ উভয়ৰে বিকাশৰ আটাইতকৈ কাৰ্যকৰী মাধ্যম। গতিকে জনজাতীয় সমাজৰ শিক্ষা আৰু সামগ্ৰিক উন্নয়নৰ বাবে অহৰহ প্ৰচেষ্টা চলাই যাব লাগে। এই অনুষ্ঠানত মধ্যপ্ৰদেশৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য মংগুভাই পেটেল, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ আৰু শিক্ষামন্ত্ৰী ইন্দৰ সিং পৰমাৰ উপস্থিত থাকে। উল্লেখযোগ্য যে কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ কুন' ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ লগতে চহৰীয়া জনজাতিৰ লোকসকলৰ সৈতে মত-বিনিময় কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে উদ্যানখনৰ কৰ্মচাৰীসকলৰ সৈতেও এটা মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

তামিলনাডুৰ পেৰিয়া পালায়ামত আজি এটা সাগৰীয় খাদ্য ৰপ্তানি কৰা প্ৰতিষ্ঠানত হোৱা এমনিয়া গেছ নিৰ্গমনৰ ঘটনাত ৭ গৰাকী লোক নিহত হোৱাৰ লগতে ৭০গৰাকীতকৈও অধিক কৰ্মচাৰী গুৰুতৰভাৱে আক্ৰান্ত হৈছে। প্ৰাথমিক প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি উদ্ধাৰ অভিযান তথা চিকিৎসা সেৱা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত নিহত লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ আশংকা আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে ৰাসায়নিক, জৈৱিক তথা পাৰমাণৱিক বিশেষ সঁহাৰি বাহিনীয়ে ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান চলোৱাৰ লগতে নিৰ্গমন ৰোধ কৰাৰ প্ৰচেষ্টা চলাইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ে ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ তিনিজনীয়া কমিটী এখনক নিৰ্দেশ দিছে। তেওঁ কয় যে অভিযুক্তসকলক ন্যায়ালয়ৰ কাঠগড়ালৈ লৈ যোৱা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে নিহতসকলৰ পৰিয়াললৈ ২ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে।

০০০০

দেশে-বিদেশে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পশ্চিমবংগৰ কলকাতাৰ ৰেড ৰোডত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ লয়। এই উপলক্ষে শ্ৰী মোদীয়ে কয়, যে যোগাভ্যাসৰ বাবে বছৰৰ আটাইতকৈ দীঘল দিন, ২১ জুনৰ দিনটো সৰ্ববৃহৎ সামূহিক উদযাপনৰ দিৱস হৈ পৰিছে। তেওঁ কয়, যে যোগ অকল শাৰীৰিক ব্যায়ামেই নহয়, বৰঞ্চ মানৱীয় উদ্যমৰো অভিব্যক্তি। তেওঁ কয়, যে ৪০ বছৰ বয়সত ২০ বছৰৰ দৰে নমনীয় আৰু ৫০ বছৰত ৩০ বছৰ বয়সতকৈও অধিক প্ৰাণৱন্ত হৈ থকাটো আমাৰ লক্ষ্য হোৱা উচিত। যোগাভ্যাসে

সন্তুলিতভাৱে জীৱন ধাৰণত আৰু মানসিক স্বাস্থ্যৰ জৰিয়তে শাৰীৰিক সুস্থতাৰ পথ অন্বেষণত সহায় কৰে বুলি তেওঁ মন্তব্য কৰে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি লাডাখৰ লেহত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে ভাষণ প্ৰদান কৰি তেওঁ কয় যে সুস্থ, সুখী আৰু শান্তিপূৰ্ণ সমাজ গঠনৰ বাবে নাগৰিকসকলে যোগাসনক দৈনন্দিন জীৱনৰ অপৰিহাৰ্য অংগ হিচাপে সামৰি লোৱা উচিত। তেওঁ লগতে কয় যে যোগাসন কেৱল শাৰিৰীক ব্যায়ামেই নহয়, ই মানৱ জাতিৰ বাবে ভাৰতৰ এক প্ৰাচীন উপহাৰ। বহু বছৰৰ ধ্যান, তপস্যা আৰু আধ্যাত্মিক অনুশীলনৰ জৰিয়তে ঋষি-মুনিসকলে যোগাসন বিকশিত কৰি তুলিছিল বুলি উল্লেখ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে যোগাসনে শৰীৰক পুষ্টি প্ৰদান কৰে, মন শান্ত কৰে আৰু আত্মাক উন্নীত কৰে। যোগাসনৰ এই বছৰৰ মূল বিষয়বস্তু সন্দৰ্ভত মন্তব্য কৰি শ্ৰীৰাধাকৃষ্ণণে কয় যে স্বাস্থ্যৰ সেৱাৰ উন্নতি আৰু বৰ্ধিত আয়ুসে সমাজৰ বাবে নতুন দায়িত্ব কঢ়িয়াই আনিছে। লাডাখৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ প্ৰসঙ্গ উল্লেখ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে লাডাখৰ জনসাধাৰণৰ সৰলতা আৰু প্ৰকৃতিৰ সৈতে একাত্মবোধ হ'ব পৰা গুণে তেওঁলোকক আনৰ পৰা পৃথক কৰি তুলিছে। তেওঁলোকৰ জীৱন-ধাৰণৰ মূল্যবোধ যোগ দৰ্শনৰ সৈতে গভীৰভাৱ মিল আছে। ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতিগৰাকী লেহৰ দেৱচান চৌহদত অৱস্থিত মহাবোধি ইণ্টাৰনেচনেল মেডিটেচন চেণ্টাৰ পৰিদৰ্শন কৰে। লাডাখত শিক্ষা, স্বাস্থ্য সেৱা, সমাজ কল্যাণ তথা যোগ আৰু ধ্যানৰ প্ৰসাৰৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৱে আগবঢ়োৱা অৱদানক উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে গভীৰ প্ৰশংসা কৰে।

০০০০

নিউজিলেণ্ডত অনুষ্ঠিত মহিলাৰ এফ আই এইচ নেচন কাপ হকী প্ৰতিযোগিতাত ভাৰতে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। আজি অকলেণ্ডত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলত আয়োজন দেশ নিউজিলেণ্ডক ভাৰতে ২-০ গ'লত পৰাস্ত কৰি দ্বিতীয়টো এফ আই এইচ নেচন কাপ দখল কৰে। এই জয়েৰে ভাৰতে এফ আই এইচ মহিলা প্ৰো-লীগলৈ উন্নীত হোৱাটো নিশ্চিত কৰিছে। খেলৰ প্ৰথম ভাগতে নৱনীত কৌৰে প্ৰথমটো গ'লৰ জৰিয়তে অগ্ৰগতি দিয়ে। ইয়াৰ পাছত সোনেলিতা টপ্পুৱে আন এটা গ'ল দি ভাৰতৰ জয় নিশ্চিত কৰে। খেলখনত লাল ৰেমচিয়ামিক প্লেয়াৰ অব দ্য মেচ খিতাপ প্ৰদান কৰা হয়। আনহাতে, দীপিকাই প্ৰতিযোগিতাত সৰ্বাধিক ছটা গ'ল দি আমেৰিকাৰ এছ্‌লী ছেছাৰ সৈতে যুটীয়াভাৱে সৰ্বাধিক গ'লদাতাৰ সন্মান অৰ্জন কৰে। উল্লেখযোগ্য যে ভাৰতে সমগ্ৰ প্ৰতিযোগিতাত এখন খেলতো পৰাজিত নহ'ল। দলটোৰ এই সাফল্যৰ বাবে হকী ইণ্ডিয়াই প্ৰতিগৰাকী খেলুৱৈৰ বাবে ৩ লাখ টকা আৰু সহায়ক কৰ্মচাৰীৰ বাবে ডেৰ লাখ টকাকৈ নগদ ধনৰ পুৰস্কাৰ ঘোষণা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এফ আই এইচ হকী নেচন কাপ জয় কৰাৰ বাবে ভাৰতৰ মহিলা হকী দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে সমগ্ৰ প্ৰতিযোগিতাত দলটোৰ উন্নত প্ৰদৰ্শনৰ বাবে উচ্চ প্ৰশংসা কৰে। তেওঁ কয় যে এই বিজয়ে দেশৰ বহু যুৱ খেলুৱৈক হকী খেলৰ প্ৰতি অনুপ্ৰাণিত কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে দলটোক ভৱিষ্যতৰ সফলতাৰ বাবেও শুভকামনা জনায়।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এইচৰ এখন খেলত আজি স্পেইন, চৌদি আৰৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আমেৰিকাৰ আটলাণ্টাত খেলখন অনুষ্ঠিত হ'ব। লছ্ এঞ্জেলছত হ'বলগীয়া গ্ৰুপ-জিৰ আন এখন খেলত বেলজিয়াম আৰু ইৰাণ মুখামুখি হ'ব।

০০০০

ইংলেণ্ডত চলি থকা আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মানচেষ্টাৰত হোৱা এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৩ ৰাণ সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে অপৰাজেয় ভাৰতীয় মহিলা দলটোৱে প্ৰথম দুখন খেল জয়েৰে পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০

সমাপ্ত